# আৰ্থ- সামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতি
# যোৰহাট জিলাৰ তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাওঁ সমূহৰ এক প্ৰকল্প ভিত্তিক অধ্যয়ন

## (A Study on the Socio Economic Life and Educational Status of the Selected Villages of Titabar Block under Jorhat District)

A project report submitted to the Department of Education, Nanda Nath Saikia College in partial fulfillment for BA 6th Semester in Education

**Submitted by**


**Name: Biswajit Bakti**

**Registration Number: S1921570**

**DU Roll Number: 30810013**


**Under the guidance of**


**Mrs.Manisha Saikia**

Assistant Professor

Department of Education


**DEPARTMENT OF EDUCATION**

**NANDA NATH SAIKIA COLLEGE**

**YEAR 2022**

# CERTIFICATE

This is to certify that the Project Report entitled "**A Study on the Socio Economic Life and Educational Status of the Selected Villages of Titabar Block under Jorhat District**" is prepared by Sri **BISWAJIT BAKTI**, Roll Number : **30810013** and Registration Number: **S1921570** of BA 6$^{th}$ Semester (Core) in Education of the year 2022.

**Supervisor**

Department of Education

Nanda Nath Saikia College

**Head of the Department**

Department of Education

Nanda Nath Saikia College

## ১.0 আৰম্ভণি (Introduction):

সাম্প্ৰতিক সময়ত সমাজ জীৱন তথা শৈক্ষিক দিশত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱবাৰুকৈয়ে পৰিছে।যাৰ জৰিয়তে সমাজৰ অৰ্থনৈতিক আৰু শৈক্ষিক দিশটো যথেষ্ট সবল হোৱা পৰিলক্ষিত হৈছে। আৰু বিকাশৰ দিশে অগ্ৰগতি হৈছে। গতিকে এনে ক্ষেত্ৰত প্ৰতিখন সমাজত প্ৰতিটো ক্ষেত্ৰত ইয়াৰ কেনে প্ৰভাৱ পৰিছে কিমান দূৰ বিকাশ সম্ভৱপৰ হৈছে তাক জনাটো অত্যন্ত জৰুৰী। সমাজ হৈছে ভিন্ন মানুহৰ গোট। সমাজ হ'ল ব্যক্তিৰ ইচ্ছা, আকাংক্ষা, কল্পনা, আঁচনি, দৃষ্টিভংগী ইত্যাদি কাৰ্য্যত সফল কৰা এক স্থান। সমাজ অবিহনে ব্যক্তি আধৰুৱা। ব্যক্তিয়ে সমাজত জীৱন নিৰ্বাহৰ বাবে অৰ্থনৈতিক আৰু শৈক্ষিক এই দুয়োটা দিশে প্ৰয়োজন। যিহেতু মানুহৰ মৌলিক প্ৰয়োজনৰ বাবে অৰ্থ আৰু জ্ঞান অৰ্জনৰ বাবে শিক্ষাৰ প্ৰয়োজন। এখন সমাজৰ উন্নতিৰ মূলতে অৰ্থনৈতিক আৰু সামাজিক দিশটো সবল হ'লে হে এখন সমাজ উন্নতিৰ পথত আগবাঢ়িব।

## ১.১ আৰ্থসামাজিক জীৱন (Socio-Economic Life):

আৰ্থসামাজিক হৈছে জীৱিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নিৰ্ধাৰক কিয়নো ই স্তৰৰ স্তৰ প্ৰভাৱিত কৰে। জ্ঞান, দক্ষতা আৰু উপাৰ্জনৰ স্থিতি যাৰ অৰ্থ হৈছে তেওঁ লোকৰ জীৱন ধাৰণ। উপাৰ্জন, শিক্ষাৰ স্তৰ, ভূমি ধাৰণৰ আকাৰ খাদ্যৰ আৰ্হি সহ কাৰকৰ সংমিশ্ৰণ ব্যৱহাৰ বৃত্তিগত গাঁথনি আৰু অন্যান্য মৌলিক সুবিধা সমূহ মানৱ বিকাশৰ ব্যৱস্থাৰ বাবে আৰ্থসামাজিক বৈশিষ্ট্য হৈছে গুৰুত্বপূৰ্ণ সজুঁলি।

## ১.২ শৈক্ষিক প্ৰস্থিতি (Educational Status):

কোনো এখন ঠাইৰ শৈক্ষিক প্ৰস্থিতি বুলি ক'লে সেই ঠাই খনৰ বাসিন্দা সকলৰ শিক্ষাৰ দিশটো কেনেকুৱা উন্নত নে অনুন্নত তাৰ ওপৰত নিৰ্ভৰ কৰে। অঞ্চলটোত থকা প্ৰাক প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক, উচ্চতৰ মাধ্যমিক আদি শিক্ষা অনুষ্ঠানবোৰেও ঠাই খনৰ শৈক্ষিক প্ৰস্থিতিক চিহ্নিত কৰে ঠাইখন আৰু বাসিন্দা সকল জীৱিকা সম্পৰ্কে তথ্য সংগ্ৰহ কৰিলেও শৈক্ষিক প্ৰস্থিতি সম্পৰ্কে জানিব পাৰি।

## ১.৩অধ্যয়নৰ ক্ষেত্ৰ (Area of the Study):

অসমৰ যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ অন্তৰ্গত ডফলাটিং চাহ বাগিছা, বিৰিনাশায়েক গাওঁ, মৰিয়াশায়েক গাওঁ ।

## ১.8 অধ্যয়নৰ তাৎপৰ্য (Significance of the Study):

মানুহৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয়তাৰ বাবে অৰ্থ আৰু জ্ঞান লাভৰ বাবে শিক্ষা সমানেই দৰকাৰী। শৈক্ষিক প্ৰস্থিতি উন্নয়নৰ লগে লগে সমাজৰ অৰ্থনৈতিক জীৱনৰো উন্নয়ন কৰিব পৰা হয়। উক্ত অধ্যয়নটোৰ জৰিয়তে গাওঁ কেইখনৰ শৈক্ষিক দিশৰ অৱস্থিতি আৰু সমস্যা সমূহৰ বিষয়ে জ্ঞান আয়ত্ত কৰাটোৱেই ইয়াৰ প্ৰধান উদ্দেশ্য। গতিকে উক্ত অধ্যয়নটোৰ জৰিয়তে আমি গাওঁ কেইখনৰ সমস্যা সমূহ বুজি উঠি ইয়াৰ সমাধান কৰিব পাৰিলেহে নিৰ্বাচিত গাওঁ কেইখনৰ শৈক্ষিক প্ৰস্থিতি তথা আৰ্থসামাজিক ব্যৱস্থাৰ বিকাশ কৰিব পৰা হ'ব।

## ১.৫ অধ্যয়নৰ উদ্দেশ্য (Objectives of the Study):

কোনো এক বিষয় অধ্যয়ন কৰা অন্তৰালত বিশেষ কিছুমান উদ্দেশ্য নিহিত হৈ থাকে। এই ক্ষেত্ৰত প্ৰস্তুত কৰিবলৈ লোৱা প্ৰতিবেদনো ইয়াৰ ব্যতিক্ৰম নহয়। এই প্ৰতিবেদন ৰ অন্তৰালত নিহিত হৈ থকা উদ্দেশ্য সমূহ হ'ল-

১/ তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ আৰ্থসামাজিক পট্টভূমি বিষয়েঅধ্যয়ন।

২/ নিৰ্বাচিত গাওঁ সমূহৰ শৈক্ষিক বিষয় আৰু প্ৰস্থিতি সম্বন্ধে অনুসন্ধান কৰা।

৩/ তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাওঁ সমূহৰ পাৰিপাৰ্শ্বিক অৱস্থা সম্পৰ্কে অনুসন্ধান কৰা।

৪/ গাঁও সমূহৰ সামাজিক দিশ সম্পৰ্কে অধ্যয়ন কৰা।

৫/ গাঁও আৰু অৰ্থনৈতিক স্থিতি সম্পৰ্কে অধ্যয়ন কৰা।

## ১.৬ অধ্যয়নৰ পৰিসৰৰ সীমাবদ্ধতা (Limitations of the Study):

উক্ত অধ্যয়নটো যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ নিৰ্বাচিত তিনিখন গাঁও ক্ৰমে ডফলাটিং চাহ বাগিছা, বিৰিনাশায়েক গাওঁ, মৰিয়াশায়েক গাওঁতে সীমাবদ্ধ কৰা হৈছে।

## ২.0 প্ৰণালীতত্ব (Methodology):

### ২.১ আৰম্ভণি (Introduction):

এই প্ৰকল্পভিত্তিক অধ্যয়নটো বৰ্ণনামূলক জৰীপ পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত। ।

ইয়াত অনুসন্ধানকাৰীয়ে বৰ্ণনামূলক অভিকল্প সমূহৰ যোগেদি যোৰাহাট জিলাৰ অন্তৰ্গত তিতাবৰ মহকুমা খণ্ডৰ অন্তৰ্গত ডফলাটিং চাহ বাগিছা, বিৰিনাশায়েক গাওঁ, মৰিয়াশায়েক গাওঁৰ লোক সকলৰ বিষয়ে আৰ্থসামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতিৰ সম্পৰ্কে অধ্যয়ন কৰা হৈছে।

### ২.২ জনসংখ্যা (Population):

উক্ত অধ্যয়নটোৰ বাবে যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ তিনিখন গাওঁ নিৰ্বাচিত কৰি লোৱা হৈছে। নিৰ্বাচিত কৰি লোৱা তিনিখন গাওঁৰ মুঠ জনসংখ্যা ডফলাটিং চাহ বাগিছা ১৯0 ঘৰ, বিৰিনাশায়েক গাওঁৰ মুঠ ৬০ ঘৰ, মৰিয়াশায়েক গাঁৱৰ মুঠ ৫৮ ঘৰ।

### ২.৩ নমুনা নিৰ্বাচন (Sample Selection):

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে সাদৃচ্ছিক নমুনা পদ্ধতি প্ৰয়োগ কৰি নিৰ্বাচিত গাঁও তিনিখনৰ পৰা ১০ ঘৰকৈ পৰিয়াল নিৰ্বাচিত কৰি লোৱা হৈছে। গতিকে এই প্ৰকল্প অধ্যয়নটোৰ বাবে মুঠ বাছি লোৱা নমুনা হৈছে ৩০ ঘৰ পৰিয়াল।

### ২.8 তথ্যৰ উৎস (Source of Data):

**(১) প্ৰাথমিক উৎস (Primary Source):**

প্ৰত্যক্ষভাৱে অনুসন্ধানকাৰীয়ে ঘৰে ঘৰে গৈ সংগ্ৰহ কৰা সামগ্ৰীক ভাবে প্ৰয়োজনীয় তথ্য পাতি সমূহ হ'ল প্ৰাথমিক উৎস। ই প্ৰথম বাৰৰ বাবে আহৰণ কৰা তথ্য ইয়াত অনুসন্ধানকাৰীৰ দ্বাৰা দাংধৰা গ্ৰান্টৰ তিনিখন গাওঁৰ ব্যক্তি সকলৰ পৰা প্ৰশ্নসূচী পদ্ধতিৰ জৰিয়তে তেওঁলোকৰ লাগতিয়াল তথ্য সংগ্ৰহ কৰা হৈছে। আৰু সাক্ষাৎকাৰ সূচীৰ জৰিয়তে গাঁৱৰ মুৰব্বী ৰ পৰা গাঁও সম্পৰ্কে বিভিন্ন লাগতিয়াল তথ্য সমূহ সংগ্ৰহ কৰা হৈছে।

**(২) দ্বিতীয়ক উৎস (Secondary Source):**

যেতিয়া অন্য অনুসন্ধানকাৰীয়ে কোনো কামৰ বাবে সংগ্ৰহ কৰি পোৱা তথ্য দ্বিতীয় বাৰৰ বাবে অন্য কোনো উদ্দেশ্যত ব্যৱহাৰ কৰা হয় তাক দ্বিতীয় উৎস বোলে। ইয়াৰ বাবে কিতাপ মেপ তথা ইন্টাৰনেটৰ পৰা প্ৰয়োজনীয় তথ্য সমূহ সংগ্ৰহ কৰা হৈছে।

**২.৬ তথ্য সংগ্ৰহৰ আহিলা (Tools of Data Collection)**:

**(১) প্ৰশ্নসূচী (Questionnaire):**

তথ্য সংগ্ৰহৰ কাৰণে ৩২ টা প্ৰশ্নৰ এখন প্ৰশ্নসূচী প্ৰস্তুত কৰি প্ৰকল্প অধ্যয়নৰ বাবে পৰিয়াল সমূহত লগপোৱা ব্যক্তি সকলৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

**(২) সাক্ষাৎকাৰ সূচী (Interview Schedule)**:

গাঁৱৰ মুৰব্বী পৰা গাঁও সম্পৰ্কে সবিশেষ তথ্য প্ৰাপ্তিৰ বাবে এখন সাক্ষাৎকাৰ সূচী প্ৰস্তুত কৰি বিভিন্ন ধৰণৰ তথ্য সংগ্ৰহ কৰা হৈছে।

**২.৭ তথ্য বিশ্লেষণ (Data Analysis):**

তথ্য বিশ্লেষণ ক্ষেত্ৰ অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ পৰ্য্যায়। প্ৰকল্পটো প্ৰস্তুত কৰিবৰ বাবে তিতাবৰ মহকুমা খণ্ডৰ তিনিখন গাওঁ নিৰ্বাচিত কৰি লোৱা হৈছিল। উক্ত গাঁও কেইখন অধ্যয়ন কৰি গাওঁ কেইখনৰ আৰ্থসামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে জানিব পৰা গ'ল। গাওঁ কেইখন শৈক্ষিক দিশৰ লগতে অৰ্থনৈতিক দিশটো যথেষ্ট আগবঢ়া। গাওঁ কেইখনৰ প্ৰায় সংখ্যক লোক চাকৰিয়াল আৰু কৃষিৰ লগত জড়িত থকা দেখা যায়।

## ২.৮উদ্দেশ্য ভিত্তিত তথ্যৰ বিশ্লেষণ (Objective Wise Data Analysis):

উক্ত প্ৰকল্প অধ্যয়নটোৰ জৰিয়তে লাভ কৰা তথ্য সমূহ তলত উদ্দেশ্য ভিত্তিত **বিশ্লেষণ** কৰা হ’ল-

**(১) তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ আৰ্থ সামাজিক পটভূমিৰ বিষয়ে অধ্যয়ন কৰা।**

**পৰিয়াল(Family)** :

প্ৰকল্প অধ্যয়নৰ বাবে নিৰ্বাচন কৰা গাঁও কেইখনত এই দুই ধৰণৰ পৰিয়াল দেখিবলৈ পোৱা যায়।

তলত এখন তালিকা প্ৰস্তুত কৰি উপস্থাপন কৰা হ’ল-

**তালিকা-১**

| **পৰিয়াল** | **সংখ্যা** | **শতকৰা** |
|---|---|---|
| একক | ৩০ | ১০০% |
| যৌথ | ০ | ০% |
| মুঠ | ০ | ১০০% |

**বাসস্থানৰ প্ৰকাৰ (Types of House) :**

তথ্য সংগ্ৰহৰ বাবে যোৱা গাওঁৰ অধিক সংখ্যক লোকৰে আৰ্থিক অৱস্থা উন্নত হোৱাৰ বাবে ঘৰৰ সাংগঠনিক অৱস্থা উন্নত।

ওপৰত উল্লেখিত গাওঁ তিনিখন ৰ বিভিন্ন প্ৰকাৰৰ ঘৰৰ তালিকা প্ৰস্তুত কৰি তলত উল্লেখ কৰা হ’ল-

**তালিকা-২**

| **বাসস্থানৰ প্ৰকাৰ** | **সংখ্যা** | **শতকৰা** |
|---|---|---|
| পকা ঘৰ | ১৬ | ৫৩.৩৩% |
| কেঁচা ঘৰ | ১৪ | ৪৬.৬৭% |
| মুঠ | ৩০ | ১০০% |

**পোহৰৰ উৎস (Source of Electricity)** :

বিদ্যুৎ ৰ সুবিধা যি কোনো এটা অঞ্চলৰ বাবে অধিক গুৰুত্বপূৰ্ণ কাৰক। বৰ্তমান যুগত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলত প্ৰতিটো অঞ্চলত বিদ্যুৎ যোগান ব্যৱস্থা আছে।

**তালিকা-৩**

| পোহৰৰ উৎস | সংখ্যা | শতকৰা |
|---|---|---|
| বিজুলী বাতি | ৩০ | ১০০% |
| মুঠ | ৩০ | ১০০% |




**(২) নিৰ্বাচিত গাওঁ সমূহৰ শৈক্ষিক বিষয়ৰ আৰু প্ৰস্থিতি সম্বন্ধে অনুসন্ধান কৰা।**

**শিক্ষা (Education)**:

শিক্ষা হৈছে এক অভিজ্ঞতা আহৰণ কৰা প্ৰক্ৰিয়া যাৰ সহায়ত ব্যক্তিৰ অন্তৰ্নিহিত মানসিক শক্তি সমূহৰ বিকাশ সাধন হৈ পৰে। শিক্ষাই ব্যক্তিক সমাজত শাৰীৰিক, মানসিক আৰু আৱেগিক ভাৱে পূৰঠ হবলৈ শিকাই। নিৰ্বাচিত গাওঁ সমূহৰ প্ৰায় সকলো লোকেই শিক্ষিত বুলি ক'ব পাৰি।

গাওঁ তিনিখনৰ বিভিন্ন পৰ্যায়ত অধ্যয়ন কৰি থকা শিক্ষাৰ্থী সকলৰ শতকৰা হিচাপত এখন তালিকা প্ৰস্তুত কৰা হ'ল-

**তালিকা-৪**

| শিক্ষাগত অৰ্হতা | ব্যক্তিৰ সংখ্যা | শতকৰা |
|---|---|---|
| Up to Graduate | ১ | ৩.৩৩ |
| Graduate | ১০ | ৩৩.৩৩ |
| H.S | ১৪ | ৪৬.৬৭ |
| H.S.L.C | ৫ | ১৬.৬৭ |
| মুঠ | ৩০ | ১০০% |




**বিদ্যালয়ৰ সংখ্যা (Number of School)**:

জ্ঞান আহৰণ এক অন্যতম মাধ্যম হৈছে বিদ্যালয়। যোৰহাট জিলাৰ প্ৰত্যেক ঠাইতে বিদ্যালয় আছে। বৰ্তমান সময়ত চৰকাৰে দুৰ্গম অঞ্চলসমূহতো বিদ্যালয় স্থাপনৰ সুবিধা প্ৰদান কৰিছে। অনুসন্ধানকাৰীয়ে অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰি লোৱা গাঁও কেইখনতো বিদ্যালয়ৰ পৰ্যাপ্ত সুবিধা আছে।

গাওঁ কেইখনত থকা বিদ্যালয়ৰ সুবিধাৰ এখন তালিকা তলত উল্লেখ কৰা হ’ল:-

**তালিকা-৫**

| বিদ্যালয় | সংখ্যা | শতকৰা |
|---|---|---|
| অংগনবাড়ী | ২ | ৩৩.৩৩ |
| প্ৰাথমিক বিদ্যালয় | ৩ | ৫০ |
| মাধ্যমিক বিদ্যালয় | ১ | ১৬.৬৭ |
| মুঠ | ৬ | ১০০% |




**(৩) তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ পাৰিপাৰ্শ্বিক অৱস্থা সম্পৰ্কে অনুসন্ধান কৰা।**

**চিকিৎসালয় (Hospital):-**

সুস্থ স্বাস্থ্য সকলোৰে কাম্য। অনুসন্ধানকাৰীয়ে গাঁওতিনিখন অধ্যয়ন কৰি চিকিৎসালয়ৰ বিষয়ে পোৱা তথ্যসমূহৰ এখন তালিকা তলত প্ৰস্তুত কৰা হ'ল:-

**তালিকা-৬**

| চিকিৎসা ব্যৱস্থা | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| চিকিৎসালয় | ৩০ | ১০০% |
| কবিৰাজ | ০ | ০% |
| ঘৰুৱা | ০ | ০% |

**শৌচাগাৰৰ ব্যৱস্থা (Toilet Facilities):**

পৰিৱেশ পৰিষ্কাৰ হৈ থাকিবলৈ হ'লে শৌচাগাৰৰ ব্যৱস্থা থকাটো অত্যন্ত গুৰুত্বপূৰ্ণ। শৌচাগাৰে পৰিৱেশক নিকা কৰি ৰাখে। যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ নিৰ্বাচিত গাঁও কেইখনৰ কিছু সংখ্যক লোকে প্ৰধানমন্ত্ৰীৰ স্বচ্ছ ভাৰত অভিযান মিছনৰ অধীনৰ শৌচাগাৰৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে।

তলত শৌচাগাৰৰ ব্যৱস্থাৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল:-

**তালিকা-৭**

| **শৌচাগাৰ** | **সংখ্যা** | **শতকৰা** |
|---|---|---|
| চৰকাৰী শৌচাগাৰ | ১৩ | ৪৩.৩৩% |
| বেচৰকাৰী শৌচাগাৰ | ১৭ | ৫৬.৬৭% |
| মুঠ | ৩০ | ১০০% |

উপৰোক্ত তালিকাৰ পৰা দেখা গ'ল যে, গাওঁকেইখনৰ সকলো লোকেই শৌচাগাৰ ব্যৱহাৰ কৰে। গাওঁ কেইখনৰ ৫৬.৬৭% মানুহে চৰকাৰী শৌচাগাৰৰ সুবিধা লাভ কৰিছে আৰু ৪৩.৩৩% মানুহে এই সুবিধাৰ পৰা বঞ্চিত হৈছে।

**খোৱাপানীৰ উৎস (Water Source)** :

পানীৰ প্ৰধান উৎস সাগৰ-মহাসাগৰ। অবশ্যে কিছুমানে পানীৰ প্ৰধান উৎস বৰষুণ বুলিও কয়। পৃথিবীৰ চাৰিভাগৰ তিনি অংশই পানী। পানী হৈছে এক অমূল্য সম্পদ, পানীৰ অবিহনে জীৱ জীয়াই থকাটো অসম্ভৱ। পানীৰ দ্বাৰা মানুহৰ বিভিন্ন প্ৰয়োজনীয়তা সমূহ পূৰণ কৰিব পৰা যায়। নিৰ্বাচিত গাওঁ সমূহৰ মানুহে ব্যৱহাৰ কৰা পানীৰ উৎসৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল-

**তালিকা-৮**

| **খোৱা পানীৰ উৎস** | **ঘৰৰ সংখ্যা** | **শতকৰা** |
|---|---|---|
| চৰকাৰী আঁচনি | ৩০ | ১০০% |
| পুখুৰী | ০ | ০% |
| দমকল | ০ | ০% |
| মুঠ | ৩০ | ১০০% |

**গা-ধোৱা ঘৰ (Bathroom Facility) :**

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰা গাঁওকেইখনৰ প্ৰত্যেক ঘৰতে গা-ধোৱা ঘৰৰ সুবিধা দেখিবলৈ পোৱা গ’ল। ইয়াৰে কিছু সংখ্যক লোকৰ ঘৰত পকী গা- ধোৱা ঘৰৰ সুবিধা আছে। ইয়াৰ পৰিৱৰ্তে গাওঁ কেইখনৰ কিছু সংখ্যক লোকৰ ঘৰত কেঁচা গা-ধোৱা ঘৰৰ সুবিধা দেখিবলৈ পোৱা গ’ল।

**জীৱ- জন্তুৰ উপযুক্ত ব্যৱস্থা : (Facilities of Animal Husbandry)**

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচিত গাঁও কেইখনৰ কিছু সংখ্যক লোকৰ ঘৰত পশুপালন কৰা দেখিবলৈ পোৱা যায়। পশুপালন যেনে:- গৰু, ছাগলী, হাঁহ, কুকুৰা ইত্যাদি। গাওঁকেইখনৰ লোকসকলৰ ঘৰত পশুপালনৰ বাবে গোহালি, গড়ালৰ উপযুক্ত ব্যৱস্থা আছে। ইয়াৰ প্ৰায় সংখ্যক মহিলাই পশুপালনৰ লগত জড়িত।

**(8) গাঁও সমূহৰ সামাজিক দিশ সম্পৰ্কে অধ্যয়ন কৰা।**

**শাৰীৰিক সুস্থতা**:

প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰি লোৱা গাঁও কেইখনৰ প্ৰায় সংখ্যক লোকেই শাৰীৰিকভাৱে সুস্থ । ইয়াৰে প্ৰাপ্তবয়স্ক লোকসকল বিভিন্ন ৰোগত ভুগি থকা দেখিবলৈ পোৱা যায়। গাওঁ কেইখনৰ লোকসকলৰ শাৰীৰিক সুস্থতাৰ সম্পৰ্কে এখন তালিকা প্ৰস্তুত কৰা হ’ল:-

**তালিকা-৯**

| **শাৰীৰিক সুস্থতা** | **সংখ্যা** | **শতকৰা হাৰ** |
|---|---|---|
| সুস্থ | ১০৯ | ৬৯.৮৭% |
| উচ্চ ৰক্তচাপ | ১১ | ৭.০৫% |
| বিষ | ৩৪ | ২১.৭৯% |
| মধুমেহ | ২ | ১.২৮% |
| অন্যান্য | ০ | ০% |
| মুঠ | ১৫৬ | ১০০% |

**ধৰ্ম** (Religion):

ধৰ্ম হৈছে এনে এক অৱস্থা যিয়ে ভাৱ ভংগীৰ যোগেদি একোটা জাতি তথা সম্প্ৰদায়ক একত্ৰিত কৰি ৰাখে। ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ । ইয়াত বিভিন্ন ধৰ্মাৱলম্বী লোকে বসবাস কৰে। যোৰহাট জিলা তিতাবৰ মহকুমা খণ্ডৰ দাংধৰা, কৰতিপাৰ গাঁও আৰু চেকুঁৰীয়া গাঁৱৰ বাসিন্দাসকল বিভিন্ন ধৰ্মীয় কাৰ্যৰ লগত জড়িত। অনুসন্ধানকাৰীয়ে তথ্য সংগ্ৰহৰ বাবে যোৱা গাঁও কেইখনৰ সকলো লোকেই হিন্দু ধৰ্মৰ। গাওঁ কেইখনৰ লোকসকলৰ এখন তালিকা তলত উল্লেখ কৰা হ'ল:-

**তালিকা-১০**

| ধৰ্ম | সংখ্যা | শতকৰা |
|---|---|---|
| হিন্দু | ৩০ | ১০০% |
| খ্ৰীষ্টান | ০ | ০% |
| মুঠ | ৩০ | ১০০% |




উপৰত উল্লেখিত তালিকাৰ পৰা দেখা গ'ল যে যোৰহাট জিলাৰ তিতাবৰ মহকুমা খণ্ডৰ নিৰ্বাচিত গাঁও তিনিখনৰ সকলো লোকেই হিন্দু ধৰ্মৰ লোক।

**(৫) গাঁও সমূহৰ অৰ্থনৈতিক স্থিতি সম্পৰ্কে অধ্যয়ন কৰা।**

**চৰকাৰী আঁচনি (Government Scheme):**

প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰি লোৱা গাঁও কেইখনৰ প্ৰায় সংখ্যক লোকেই চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিছে। চৰকাৰী আঁচনিসমূহ হ'ল:- অৰুনোদয়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি, NREGA, অনাময় শৌচালয় আঁচনি, প্ৰধানমন্ত্ৰী কৃষি বিকাশ আচঁনি, প্ৰধানমন্ত্ৰী ইন্দিৰা আৱাস যোজনা আদি।

গাওঁ কেইখনৰ লোকসকলে লাভ কৰা সুবিধাসমূহৰ এখন তালিকা তলত উল্লেখ কৰা হ'ল:-

**তালিকা-১১**

| চৰকাৰী সুবিধা | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| শৌচালয় | ১০ | ২৭.০৩% |
| ঋণ | ১৭ | ৪৫.৯৪% |
| খাদ্য | ৮ | ২১.৬২% |
| ঘৰ | ২ | ৫.৪% |




গতিকে দেখা গ'ল যে, নিৰ্বাচিত গাঁও কেইখনৰ প্ৰায় সংখ্যক লোকেই চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিছে। গাওঁ কেইখনৰ অধিক সংখ্যক অৰ্থাৎ ৪৫.৯৪% লোকেই চৰকাৰী ঋণ অৰুনোদয় আৰু কৃষি বিকাশ আচঁনি লাভ কৰিছে। ২৭.০৩% লোকে অনাময় শৌচালয় আঁচনি, ২১.৬২% লোকে খাদ্য সুৰক্ষা আঁচনি আৰু বাকী ৫.৪% লোকে ইন্দিৰা আৱাস যোজনাৰ অধীনত ঘৰ লাভ কৰিছে।

**বৃত্তি (Occupation):**

বৃত্তি হৈছে এটা পৰিয়াল আৰ্থিক দিশৰ উন্নয়নৰ এক উৎস । নিৰ্বাচিত গাওঁ কেইখনৰ আৰ্থিক আৰু সামাজিক দিশৰ উন্নতিৰ বাবে বিভিন্ন  কামত নিয়োজিত হৈ আছে । যাৰ দ্বাৰা নিজৰ আৰ্থসামাজিক আৰু শৈক্ষিক দিশৰ উন্নয়নৰ লগতে গাওঁখনৰ সামাজিক স্থিতিৰ বিকাশত অৰিহণা যোগাইছে।

গাওঁ কেইখনৰ বিভিন্ন বৃত্তিত নিয়োজিত থকা লোকসকলৰ তালিকা তলত উল্লেখ কৰা হ'ল-

**তালিকা - ১২**

| **বৃত্তি** | **সংখ্যা** | **শতকৰা** | **কোণৰ মান** |
|---|---|---|---|
| চৰকাৰী | ১১ | ১২.৫% | ১৪৪° |
| বেচৰকাৰী | ২১ | ২৩.৮৬% | ৭২° |
| কৃষি | ৩৪ | ৩৮.৬৪% | ১২০° |
| অন্যান্য | ২২ | ২৫% | ২৪° |
| মুঠ | ৮৮ | ১০০% | ৩৬০° |

তথ্যসমূহৰ পৰা দেখা গ'ল যে গাওঁকেইখনৰ চৰকাৰী চাকৰিয়াল ১১জন, বেচৰকাৰী খণ্ডত ২১ জন, কৃষক৩৪জন,অন্যান্য ২২জন। তলত তথ্য সমূহ পাই চিত্ৰৰ সহায়ত দেখুওৱা হ'ল –




**৩.0 অধ্যয়নৰ দ্বাৰা প্ৰাপ্ত প্ৰধান তথ্য সমূহ (Major Findings of the Study):**

উক্ত প্ৰকল্পটো অধ্যয়নৰ বাবে যোৰহাট জিলাৰ তিতাবৰ খণ্ডৰ তিনিখন গাওঁ নিৰ্বাচিত কৰি লোৱা হৈছে। অনুসন্ধানকাৰীয়ে উক্ত গাওঁ কেইখনৰ অধ্যয়নৰ জৰিয়তে গাওঁ কেইখনৰ আৰ্থসামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে জানিব পৰা গৈছে। গাওঁ কেইখনৰ শৈক্ষিক দিশটো আৰু অৰ্থনৈতিক দিশটো অধ্যয়ন কৰিলে দেখা যায় যে গাঁৱৰ কিছু সংখ্যক লোক শিক্ষিত আৰু প্ৰায় সংখ্যক লোকেই কৃষি লগত জড়িত, কিছু লোক ব্যৱসায়ৰ লগত জড়িত হোৱাৰ লগতে কম সংখ্যক লোক চাকৰিয়াল দেখা যায়। কিন্তু গাওঁ কেইখনৰ বৰ্তমান উঠি অহা অধিকাংশ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষাৰে শিক্ষিত।উক্ত তিনিখন গাৱঁকেইখনত নামঘৰৰ লগতে ৰাজহুৱা প্ৰেক্ষাগৃহও থকা দেখা গ'ল। গাওঁ কেইখন ধৰ্মীয় আৰু সাংস্কৃতিকদিশটোযথেষ্টআগবঢ়া। নামঘৰত দিহানাম, নাম-প্ৰসংগ, ভাওনা হোৱা দেখা যায়

উক্ত গাওঁ কেইখনৰ অধ্যয়নৰ জৰিয়তে জানিব পৰা গৈছে যে গাওঁ কেইখন চৰকাৰী আঁচনিৰ পৰাও বঞ্চিত হোৱা নাই। গাওঁ কেইখনৰ কিছু সংখ্যকে ঘৰ, শৌচাগাৰ, পানীৰ সুবিধাও লাভ কৰিছে। তদুপৰি গাওঁ কেইখনৰ মহিলাই পশুপালন কৰাৰ লগতে ২/৩ গৰাকী মহিলাই চৰকাৰী- বে-চৰকাৰী অনুষ্ঠানত কৰ্ম কৰি থকা দেখা যায়। গতিকে এই দিনবোৰ চালি-জাৰি চালে দেখা যায় অৰ্থনৈতিক দিশত গাওঁ কেইখন যথেষ্ট আগবঢ়া।

**8.0 পুনঃ অধ্যয়নৰ পৰামৰ্শ (Suggestions For Further Study)**:

অধ্যয়নৰ বাবে গাঁও কেইখনত দেখা পোৱা কিছুমান সমস্যা আৰু সমাধানৰ হেতু কিছুমান পদক্ষেপ গ্ৰহন কৰাৰ লগতে উপযুক্ত পৰামৰ্শ ৰ ব্যৱস্থা ল'ব লাগিব। এই সমূহ তলত উল্লেখ কৰা হ'ল-

(১) উচ্চ শিক্ষাৰ বাবে ল'ৰা- ছোৱালী বিলাকক বিদ্যালয়ত আকৰ্ষণীয় পৰিৱেশৰ সৃষ্টি কৰি যাতায়তৰ যোগাযোগৰ পথ সুচল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত গাঁৱৰ ব্যক্তিসকল আৰু চৰকাৰ দুয়োটাৰ ভূমিকা থাকিব লাগিব।

(৩) গাঁও কেইখনত সামাজিক দিশৰ পৰা আগবঢ়ায় যদিও লোকসকলৰ সৃজনী প্ৰতিভাৰ বিকাশৰ বাবে একোখনকৈ মঞ্চ গঢ় দি তোলা প্ৰয়োজন।

(২) গাঁৱৰ নিবনুৱা সকলৰ সংস্থাপন ব্যৱস্থাৰ বাবে সৰু-সুৰা উদ্যোগ তথা অন্যান্য কৃষিজীৱি কৰ্মত উৎসাহিত হ'বৰ বাবে অনুপ্ৰেৰণ যোগাব লাগিব।

গতিকে গাঁও কেইখনত ওপৰোক্ত বিষয় সমূহত পুনঃ অধ্যয়ন কৰিব পৰাৰ থল আছে

**৫.0 সামৰণি (Conclusion) :**

সামৰণিত ইয়াকে উল্লেখ কৰিব পাৰি যে গাঁও কেইখনৰ জনসংখ্যাৰ গাঠনি ওপৰত অধ্যয়নকৰিবলৈ গৈ গাওঁ কেইখনৰ মুঠ জনসংখ্যা , গাওঁ কেইখনৰ পুৰুষ মহিলাৰ সংখ্যা আৰু পুৰুষ মহিলাৰ অনুপাত সম্বন্ধে জানিব পৰা গ'ল।

গাওঁ কেইখনত সকলো লোকেই হিন্দু ধৰ্মাৱলম্বী লোক আছে। লগতে লোক সকলৰ উপাৰ্জনৰ পথো বেলেগ বেলেগ। যেনে- ব্যৱসায়, শ্ৰমিক, খেতি আৰু অন্যান্য। গাওঁ কেইখনত নিম্ন মধ্যবিত্ত মানুহৰ সংখ্যা আটাইতকৈ বেছি থকা দেখা গৈছে।

গাওঁ কেইখনৰ সমীক্ষাত পোৱা গ'ল যে শিক্ষাৰ ক্ষেত্ৰত গাওঁকেইখনৰ লোক সকল যথেষ্ট আগবঢ়া। গাঁৱত যিসকল নিৰক্ষৰ লোক তেওঁলোকে তেওঁলোকৰ ল'ৰা ছোৱালীৰ শিক্ষাৰ বাবে আগ্ৰহী কৰি তুলিবৰ বাবে পৰামৰ্শ দিব লাগে। গাঁৱত যিসকল লোক শিক্ষিত নিবনুৱা হিচাপে আছে তেওঁলোকক স্বাৱলম্বী হ'বৰ বাবে ক্ষুদ্ৰ উদ্যোগ খোলাৰ ব্যৱস্থা কৰিব লাগে। খোৱা পানীৰ ক্ষেত্ৰতগাওঁ কেইখনত চৰকাৰী পানী যোগান আঁচনি লাভ কৰা দেখা গৈছে। এই অধ্যয়নত সময়ৰ অভাৱৰ বাবে সৰহ সংখ্যক ঘৰৰ মানুহৰ তথ্য সংগ্ৰহ কৰা সম্ভৱ নহয়। সেইবাবে কেৱল তিনিখন গাৱঁৰ পৰা , এখন গাঁৱত ১০ ঘৰলৈ মানুহৰ তথ্য সংগ্ৰহ কৰা হৈছিল। যিহেতু অধ্যয়নৰ বাবে গোটেই কেইঘৰ মানুহ সামৰি লোৱা নাই গতিকে অধ্যয়নৰ প্ৰাপ্ত তথ্য সমূহ গোটেই গাওঁ কেইখনৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে।

---------------------------------------------